# নীৰ নিৰ্মল পৰিযোজনা

জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম চৰকাৰ

(বিশ্ববেংক সাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্প)

## প্ৰকল্পৰ সময় কাল

| পৰিকল্পনাৰ আগৰ সময় ছোৱা | পৰিকল্পনাৰ সময় ছোৱা | ৰূপায়ণ (নিৰ্মাণ কাল) সময় ছোৱা | পৰিচালনা কাৰ্য্যকাল |
|---|---|---|---|
| *(১-৩ মাহ)* | *(৪-৯ মাহ)* | *(১০-২৮ মাহ)* | *(২৮ মাহৰ পৰা আগলৈ)* |

- এই প্ৰকল্পত বিশ্ববেংক, ভাৰত আৰু অসম চৰকাৰ সাহাৰ্য্যৰ উপৰিও হিতাধিকাৰী পৰিয়ালে ৪৫০/- টকাকৈ আৰু অনুসূচীত জাতি-জনজাতি পৰিয়ালে ২২৫/- টকাকৈ অৰ্থ বৰঙণি দিব লাগিব।
- পানী সংযোগ পোৱাৰ পিছত প্ৰতিঘৰ পৰিয়ালে পানীৰ ব্যৱহাৰৰ হিচাপত প্ৰতিমাহে এটা নূন্যতম মাচুল আদায় দিব লগিব। প্ৰতিঘৰ হিতাধিকাৰী পৰিয়ালৰ পৰা অৰ্থ সংগ্ৰহৰ বিনিময়ত পাব এখনকৈ উপভক্তা কাৰ্ড (Consumer Card)।
- প্ৰথমতে জমা কৰা ধনৰাশিৰ বিনিময়ত প্ৰতিঘৰ হিতাধিকাৰী পৰিয়ালে পাব এটা টেপ, এটা মিটাৰ আৰু মূখ্য পানী বাহী পাইপৰ পৰা ১০ মিটাৰ দূৰত্বলৈকে পানী যোগানৰ সংযোগ।
- প্ৰকল্পৰ বিভিন্ন কাম কাজ যেনে পঞ্চায়ত পৰ্য্যায়ৰ সভা, গাওঁ পৰ্য্যায়ৰ সভা, হিতাধিকাৰী পৰিয়ালৰ পৰা অৰ্থ সহযোগ সংগ্ৰহ, প্ৰশিক্ষণ আদি কামৰ বাবে প্ৰত্যেকখন গাওঁ পঞ্চায়তত প্ৰকল্পৰ অধীনত দুজনকৈ স্বেচ্ছাসেৱক (Community Mobilizer) আছে।



স্বেচ্ছাসেৱকে ঘৰে ঘৰে কৰা জৰিপ (বঙাইগাও জিলা)



গাঁও সভা (মৰিগাঁও জিলা)



প্ৰকল্পৰ নিৰ্মাণ কৰ্য্য (কামৰূপ জিলা)



হিতাধিকাৰী দ্বাৰা অৰ্থ সহযোগৰ জমা (যোৰহাট জিলা)

## ৰাইজ হ'ব অংশীদাৰ, বিশুদ্ধ পানী হ'ব ব্যৱহাৰ

অধিক তথ্যৰ বাবে যোগাযোগ কৰক: কাৰ্যবাহী অভিযন্তা আৰু জিলা প্ৰকল্প পৰিচালনা কাৰ্যালয়, জনস্বাস্থ্য কাৰিকৰী বিভাগ

**Toll Free: 1800-345-3990** **www.nnpphedassam.org**

# নীৰ নিৰ্মল পৰিযোজনা

সত্যমেব জয়তে

জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম চৰকাৰ

(বিশ্ববেংক সাহার্য্যপ্রাপ্ত প্রকল্প)

Neer Nirmal Pariyojana

**বিশ্ববেংক, ভাৰত তথা অসম চৰকাৰৰ যৌথ প্ৰচেষ্টাত গ্ৰাম্য পানী যোগান তথা অনাময় যোজনাৰ অধীনস্থ অসমৰ সাতখন জিলা সামৰি এই প্ৰকল্প 'নীৰ নিৰ্মল পৰিযোজনা' হাতত লোৱা হৈছে।**

এই প্ৰকল্পত হ'ব লগা মুঠ ব্যয়ৰ ৫০% ধন বিশ্ব বেংকে, ৪৪.৫% ধন কেন্দ্ৰীয় চৰকাৰে আৰু ৪.৫% ধন ৰাজ্য চৰকাৰে বহন কৰিব । প্ৰকল্পটোত ব্যয় হ'ব লগা সৰ্বমুঠ খৰচৰ ১% ব্যয় প্ৰকল্পৰ অন্তৰ্গত ৰাইজৰ অৰ্থ সহযোগেৰে হ'ব।

**এই আঁচনিৰ জৰিয়তে পাবলগীয়া সুবিধাসমূহ হ'ল**

- ২৪ ঘন্টাই ৭০ লিটাৰ জনমূৰি হাৰত খোৱা পানী যোগান।
- প্ৰত্যেক গৃহ-আবাসত মিটাৰ সংযোজনৰ জৰিয়তে গাঁও পঞ্চায়ত পানী যোগান আৰু অনাময় সমিতিৰ নিৰ্ধাৰিত হাৰত ঘৰত ব্যৱহাৰ কৰা পানীৰ মূল্য আদায়।
- এই আঁচনিত গাঁও পঞ্চায়ত পানী যোগান আৰু অনাময় সমিতিৰ তথা বহু গাঁও পানী যোগান আৰু অনাময় সমিতিৰ মূখ্য ভূমিকা থাকিব।
- এই আঁচনিৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱাৰ পিছতো নিৰ্মাণকাৰী সংস্থাই ৫ বছৰ এই প্ৰকল্পটো সূচাৰু ৰূপে পৰিচালনা কৰিব।

**গাঁও পঞ্চায়ত পনী যোগান আৰু অনাময় সমিতি**

| | |
|---|---|
| সভাপতি | গাঁও পঞ্চায়তৰ সভাপতি |
| উপ- সভাপতি | গাঁও পঞ্চায়তৰ উপ- সভাপতি |
| সদস্য সচিব | জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উক্ত পঞ্চায়তৰ দায়িত্ব প্ৰাপ্ত অভিযন্তা |
| সদস্য | গাঁও স্বাস্থ্য আৰু অনাময় সমিতিৰ সভাপতি |
| সদস্য | গাঁও পঞ্চায়তৰ আঁঞ্চলিক পঞ্চায়তৰ সদস্য |
| সদস্য | সকলো ৱাৰ্ডৰ সদস্য |
| সদস্য | গ্ৰাম্য পানী যোগান আৰু অনাময় সমিতিৰ সভাপতি সকল |
| সদস্য | গ্ৰাম্য পনী যোগান আৰু অনাময় সমিতিৰ সচিব সকল |
| সদস্য | স্ব-গাঁও পঞ্চায়তৰ সচিব |
| সদস্য | গাঁও পঞ্চায়তৰ অন্তৰ্গত নিৰ্বাচিত আশা অংগনাবাদী কৰ্মী |
| সদস্য | গাঁও পঞ্চায়তৰ অন্তৰ্গত থকা স্বচ্ছতা দূত |





## প্ৰতিটো পৰিয়ালৰ মুখৰ বাণী, ঘৰে ঘৰে এতিয়া বিশুদ্ধ পানী

অধিক তথ্যৰ বাবে যোগাযোগ কৰক: কাৰ্যবাহী অভিযন্তা আৰু জিলা প্ৰকল্প পৰিচালনা কাৰ্যালয়, জনস্বাস্থ্য কাৰিকৰী বিভাগ

**Toll Free: 1800-345-3990** **www.nnpphedassam.org**